
# সংস্কৃতি প্ৰবাহ



সম্পাদক

ড° সীতানাথ লহকৰ

# সংস্কৃতি প্ৰবাহ

সম্পাদক

ড° সীতানাথ লহকৰ

সম্পাদনা সমিতি

মিতা চক্ৰৱৰ্তী
সাবিত্ৰী শইকীয়া
প্ৰশান্ত চক্ৰৱৰ্তী
ড° তিলোত্তমা বৰুৱা

লোকায়ত প্ৰকাশন
গুৱাহাটী

SANGSKRITI PRABAH
This edition is Published by Lokayat Prakashan
Dispur, on behalf of Dr. Satyendra Kumar Choudhury,
Secretary, Cotton College Centenary Celebration Committee.
Rs. 85 /- only.

# সংস্কৃতি প্ৰবাহ

সম্পাদনা ঃ ড° সীতানাথ লহকৰ

গ্ৰন্থস্বত্ব ঃ কটন কলেজ শতবৰ্ষ উদ্‌যাপন সমিতি

প্ৰকাশক ঃ

চন্দ্ৰনীল শৰ্মা
লোকায়ত প্ৰকাশন
গুৱাহাটী-৬

প্ৰথম প্ৰকাশ
মে’ ২০০২

মূল্য ঃ ৮৫.০০ টকা

মুদ্ৰণ ঃ

অভিমত প্ৰিন্টাৰ্চ
দিশপুৰ, হাতীগাঁও

# বৈদিক সমাজত নাৰীৰ স্থান

## সুকুমাৰী ভট্টাচাৰ্য

মাজে-সময়ে বক্তৃতা বা বেতাৰ বাৰ্ত্তাত শুনো, প্ৰৱন্ধ বা গ্ৰন্থত পঢ়ো প্ৰাচীন ভাৰতবৰ্ষত নাৰীৰ স্থান অতি উচ্চ আছিল, মুছলিম্ আক্ৰমণৰ পৰবৰ্ত্তী সময়তে হেনো নাৰীৰ অৱস্থান সমাজত নামি যায়। এইবোৰ মন্তব্যৰ সত্যা-সত্য পৰীক্ষা কৰাৰ বাবে আমাৰ হাতত পৰেহি তথ্যৰূপে সাহিত্য। একেবাৰে প্ৰাচীন অৰ্থাৎ বৈদিক যুগতেই হেনো নাৰীৰ স্থান খুউব ওখত আছিল। বৈদিক সাহিত্যৰ বাহিৰে সেই যুগৰ কোনো ইতিহাস আমাৰ ওচৰ চপাহি নাই, গতিকে সেই সাহিত্যৰ পৰাই আমাৰ অনুসন্ধান চলোৱা হ'ব— সচাঁকৈয়ে কিমাননো উচ্চ আছিল নাৰীৰ মান, এই প্ৰবন্ধত সেই অনুসন্ধানৰ প্ৰযত্ন থাকিল।

বৈদিক যুগ বুলিলে যি যুগত বৈদিক সাহিত্য ৰচিত হৈছিল তাকেই বুজা যায়। এই সাহিত্য প্ৰধানকৈ সংহিতা, ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ আৰু সূত্ৰসাহিত্য অৰ্থাৎ শ্ৰৌত, গৃহ্য, ধৰ্মসূত্ৰই প্ৰধান। আধুনিক সকলোবোৰ পণ্ডিতে প্ৰাচীনতম বেদ অৰ্থাৎ ঋকবেদক খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰ পৰা দশমৰ শেষ বা নবমৰ আদি ভাগৰ ৰচনা বুলি ভাবে। যজুৰ্বেদ আৰু সামবেদ আৰু প্ৰাচীন ব্ৰাহ্মণবোৰ খ্ৰীষ্টপূৰ্ব নবমৰ পৰা সপ্তম শতিকাৰ ৰচনা। অথৰ্ববেদৰ প্ৰচীনতম অংশও এই সময়ৰ; বাকী অংশ আৰু পৰবৰ্ত্তী ব্ৰাহ্মণ আৰু উপনিষদবোৰ খ্ৰীষ্টপূৰ্ব অষ্টমৰ পৰা পঞ্চম শতিকাৰ ৰচনা। সূত্ৰসাহিত্য সম্ভৱতঃ খ্ৰীষ্টপূৰ্ব পঞ্চমৰ পৰা খ্ৰীষ্টিয় চতুৰ্থ শতিকা এই ডেৰ হাজাৰৰ কিছু বেছি সময়ৰ সাহিত্যত সমাজৰ যি চিত্ৰ সংগ্ৰহ কৰিব পাৰি তাৰেই মাজত বিচাৰি চোৱা যাব নাৰীৰ মান। কোৱা বাহুল্য, ইয়াৰ শেষৰ হাজাৰ বছৰ ইতিহাসত সাহিত্য বাদ দি অন্য উৎসও আছে, যেনে— প্ৰত্নতত্ত্ব, শিলালিপি, তাম্ৰশাসন, মহাকাব্য দুখন, প্ৰথম যুগৰ পুৰাণ, বৌদ্ধ সাহিত্য ইত্যাদি।

যাযাবৰ পশুপালক আৰ্যসকল উত্তৰ ভাৰতত আহিছিল, যি ঠাইত 'সিন্ধু সভ্যতা' প্ৰতিষ্ঠিত আছিল, এওঁলোক কৃষিজীবি আৰু নগৰ সভ্যতাৰ যুগত বাস কৰিছিল, ধাতুৰ দিশৰ পৰা যুগটো ব্ৰঞ্জ যুগ। ইতিহাসৰ সাক্ষ্য হ'ল— বৈদিক আৰ্যসকলৰ লগত লোহাৰ প্ৰবেশ ঘটিল ভাৰতত। সম্ভৱতঃ ইন্দ্ৰৰ বজ্ৰ, যাৰ জোৰত ইন্দ্ৰ, অৰ্থাৎ আৰ্য দলৰ সেনাপতিয়ে প্ৰাগাৰ্যক হৰুৱালে— সেয়া আছিল লোহাৰ ফলকযুক্ত কোনো অস্ত্ৰ যাৰ সমুখত প্ৰাগাৰ্যৰ নৰম ধাতুৰ অস্ত্ৰ তিষ্ঠি থাকিব নোৱাৰিলে। ইয়াৰ বাহিৰেও আৰ্যসকলৰ

ঘোড়াই টনা ৰথ আছিল, প্ৰাগাৰ্যৰ হাতী তাৰ সমান দ্ৰুতগামী নাছিল। প্ৰাগাৰ্য সিন্ধু সভ্যতাৰ লগত মধ্য প্ৰাচ্যৰ যি বহি-বাণিজ্যৰ সম্পৰ্ক আছিল, আৰ্যসকল অহাৰ পিছতে সেয়া বিচ্ছিন্ন হৈ যায়, আকৌ দুই-তিনিশ বছৰৰ পিছত আৰম্ভ হয়।

যাযাবৰ পশুপালক আৰ্যসকলে এই দেশলৈআহি লাহে লাহে এওঁলোকক পৰাজিত কৰি প্ৰায় সমস্ত আৰ্যাবৰ্ত্ত অধিকাৰ কৰে। প্ৰাগাৰ্যসকলৰ লগত বিয়া আৰু প্ৰতিবেশী হোৱাৰ মাজেৰে আৰ্যসকলে ক্ৰমে খেতি কৰিবলৈ শিকে আৰু অঘৰীৰ পৰা গাওঁপাতি বাস কৰা ঘৰুৱা মানুহ হৈ উঠে। পোৰা ইটাৰে ঘৰ সঁজাবলৈ শিকি 'থিতাপি' লোৱা এক আঞ্চলিক বসবাসী হৈ পৰে। অঘৰী সকলৰ সমাজ ব্যৱস্থা গোষ্ঠী (tribe) আৰু কৌমকেন্দ্ৰিক (clan) আছিল। এই সমাজ গঠন লাহে লাহে ভাঙিবলৈ ধৰে, কৃষি শিকে কৃষিজীৱি হোৱাৰ পিছত। ক্ৰমান্বয়ে 'কুল'ৰ প্ৰবৰ্ত্তন হয়, অৰ্থাৎ এটা ঘৰতে তিনি চাৰি পুৰুষ পল্লবিত হয় বৃহৎ পৰিবাৰ বা পৰিয়াল গঠনেৰে। তাৰ পিছতেই আহে যৌথ পৰিয়াল, পুৰুষৰ সম্পৰ্ককেন্দ্ৰিক দুই তিনি পুৰুষ পৰিয়াল, সদৌ শেষত একক পৰিয়াল, এজন পুৰুষৰ সংসাৰ। এই সকলোৰে লগত উৎপাদন ব্যৱস্থাৰ ঘনিষ্ঠ যোগ আছিল, কিন্তু এই কাৰ্য ক্ৰমশ পৰিণতিৰ দিশেই আগুৱাইছিল; সমাজত শূদ্ৰ আৰু নাৰীৰ স্থানৰ অনিবাৰ্য অবনমন, অৰ্থাৎ ক্ৰমেই নাৰীৰ স্থান সমাজত আৰু পৰিয়ালত নামি গৈছিল। উৎপাদন ব্যৱস্থাত নাৰীৰ অংশ ক্ৰমেই কমি গৈছিল, যদিও গৃহকৰ্মত তেওঁৰ পৰিশ্ৰম আৰু দায়িত্ব যথেষ্ট আছিল, তথাপিও তেওঁক 'ভাৰ্যা' অৰ্থাৎ অন্যৰ দ্বাৰা ভৰণীয়া স্বামীৰ অন্নৰে প্ৰতিপালিত এই সংজ্ঞা দিয়া হ'ল। মনত ৰখা উচিত 'ভৃত্য' আৰু 'ভাৰ্যা' শব্দ দুটিৰ বুৎপত্তিগত অৰ্থ একেটাই; যাক ভৰণ কৰা হয়। স্ত্ৰীয়ে স্বয়ং অন্ন উৎপাদন নকৰে সেয়ে তেওঁ ভৰণীয়া। (ইংৰাজীত মধ্যযুগলৈ স্বামীক লৰ্ড বোলা হয়; এই শব্দও স্ত্ৰী আৰু ভৃত্য উভয়ৰ পক্ষে একে, আৰু ইয়াৰ বুৎপত্তি half wardৰ পৰা, অৰ্থাৎ অন্ন (leaf, loaf ৰুটি)ৰ বাবে যাৰ ওচৰত আশ্ৰিত (ward) ব্যক্তি।

বৈদিক যুগৰ শেষৰ ফালে অনেক বৈদেশিক আক্ৰমণ হয় তাৰ ফলত নাৰী হৰণ আৰু বৰ্ণসংকৰৰ আশংকাত নাৰীক অন্তঃপুৰলৈ ঠেলি দিয়া হয় আৰু তেতিয়াৰ পৰাই নাৰী আৰু অধিক অসূৰ্যস্পৰ্শা হৈ উঠে। অৰ্থাৎ ঘৰে-বাহিৰ যেতিয়াই য'ত কোনো বিপত্তিয়ে দেখা দিছে তাৰ দামটো দিব লগা হৈছে শূদ্ৰ আৰু নাৰীয়ে। নাৰীৰ ক্ষেত্ৰত সেইটো কেনেদৰে ঘটিল তাকেই এই প্ৰবন্ধৰ মাজেৰে চোৱা হ'ব।

## ( খ )

ঋগ্বেদ বৈদিক সাহিত্যৰ প্ৰথম গ্ৰন্থ। ইয়াত স্পষ্টকৈ নাৰীৰ অৱস্থান সম্পৰ্কে বিশেষ কোনো উক্তি নাই, কিন্তু নানা বৰ্ণনা উপমানৰ পৰা নাৰীৰ স্থান সম্বন্ধে ধাৰণা জন্মে। ঋগ্বেদৰ ৰচনাৰ কেবাটাও স্তৰ আছে, তাৰ প্ৰথম স্তৰৰ মন্ত্ৰবোৰত নাৰী, অপেক্ষাকৃতভাৱে স্বাধনীচাৰিণী। দেৱী ঊষা কোনো মন্ত্ৰত সূৰ্যৰ কইনা, কৰবাত মাক, কৰবাত জীয়ৰী; ৰচয়িতাৰ কল্পনাৰ প্ৰকাৰভেদে। কেতিয়াবা ঊষা নিলাজ নাৰী; বিশ্ববাসীৰ চকুৰ আগত নিজৰ দেহশ্ৰী উন্মুখ কৰা নাৰী ৰূপে বৰ্ণিত হৈছে। (ঋগ্বেদ ১/৪৬/৪/) কেতিয়াবা শুনা

যায় উষা স্মিতহাসিনী; ন-কইনাই যিদৰে স্বামীৰ সমুখত নিজকে প্ৰকাশ কৰে, উষাই তেনেদৰেই নিজৰ আৱৰণ উন্মোচন কৰে। (ঐ ১/১২৪/৭) সুন্দৰী সু-সজ্জিতা উষাৰ দেহটি যেন আইৰ হাতেৰে নোওৱা-সজোৱা কন্যাৰ দেহ। (১/১২৩/১২)। শুনিবলৈ পোৱা যায়, অগ্নিয়ে তেনেদৰে স্তোত্ৰকাৰৰ স্তোত্ৰৰ স্তৱত আনন্দিত হয় যেনেদৰে প্ৰেমিক স্বামীয়ে তেওঁৰ পত্নীৰ সান্নিধ্যত আনন্দ পায়। (৩/৬১/৮) অগ্নি তেনে পবিত্ৰ যেনে পবিত্ৰ স্বামীৰ দ্বাৰা সন্মানিত পত্নী। (১/৭৩/৩)। দেখা যায়, দেৱতাৰ আনন্দ, দেৱতাৰ পবিত্ৰতাৰ উপমান মানৱৰ প্ৰেম, মানবীয় শুচিতা। এই যুগতে শুনো নাৰীয়ে নিজেই তেওঁৰ জীৱনসংগী বাছি নিয়ে (স্বয়ং সা মিত্ৰং বনুতে জনে চিৎ ১০/২৭/১২) আৰু ইয়াৰ পিছৰ যুগতো শুনো প্ৰিয়া স্ত্ৰীয়ে যেনেদৰে প্ৰিয় স্বামীৰ পৰা আনন্দ পায়, হে ভগদেব, তুমিও যেন আমাৰ প্ৰতি তেনে সুখী হোৱা। (তৈত্তিৰীয় ব্ৰাহ্মণ ২/৪/৬/৫৬)। বহুবাৰ এটি উপমা পাওঁ, উপাসক তেওঁৰ দেৱতাৰ ওচৰলৈ আহে যিদৰে আহে কোনো পুৰুষ তেওঁৰ কাম্য নাৰীৰ ওচৰলৈ বা তেওঁৰ পিছে পিছে যায়। (মৰ্যো ন যোযা মভ্যেতি পশ্চাৎ, ঋগ্বেদ ৭/৮০/২, আৰু অনেক ঠাইতে এই ধৰণৰ কথা আছে।) ঘিউধাৰা সোমৰ প্ৰতি ধাবিত হোৱাৰ দৰে অলংকৃতা সুন্দৰা তৰুণী স্বামীৰ ওচৰলৈ যায়। (ঐ ৪/৫৮/৯)। অবৈধ প্ৰণয় লৈ ঋগ্বেদৰ ঋষিৰ কোনো কুণ্ঠাবোধ নাই, অনাদি কালৰ পৰাই সি সকলো সমাজতে আছে, সেয়ে ই যেন সৰ্বজনস্বীকৃত এটি সামাজিক তথ্য। সেইবাবে, 'জাৰো ন', উপপতিৰ দৰে, এই উপমাটি বাৰে বাৰেই পোৱা যায়। যমযমী সূক্তত (১০/১০) ভাই-ভনীৰ আৰু নাভানেদিষ্ঠ সূক্ত (১০/৬১/৫-৭)ত পিতা-পুত্ৰীৰ আসক্তিৰ কথা আছে, নাভানেদিষ্ঠ মিলনৰ উল্লেখো আছে, অৰ্থাৎ প্ৰচলিত সমাজ নীতিৰ ব্যতিক্ৰম। নিষিদ্ধ সম্পৰ্কৰ মিলন, এয়াও সমাজৰ মাজে মাজে দেখা যায় বুলিও ঋগ্বেদৰ ঋষিয়ে অকুণ্ঠভাৱে উল্লেখ কৰিছে। সোম যজ্ঞপাত্ৰৰ প্ৰতিমুখীৰ দৰে কামুকে বন্ধুপত্নীৰ প্ৰতি ধাবিত হোৱাৰ কথাও পোৱা যায়। (৯/৯৬/২২, ২৩; ১০১/১৪) নদীয়ে বিশ্বামিত্ৰৰ প্ৰতিমুখী হোৱাৰ দৰে চুমা খাবলৈ উদ্যোগী পুৰুষৰ ওচৰত নাৰী আনত হোৱাৰ চিত্ৰ পোৱা যায়। (৩/৪৫/১)। সোমৰস বসতীবৰীৰ পানীত আনন্দিত হোৱাৰ দৰে উত্তম নাৰীৰ সান্নিধ্যত পুৰুষ আনন্দিত হোৱাৰ উল্লেখ আছে। এনে অসংখ্য উদাহৰণত নাৰী-পুৰুষৰ প্ৰেম আৰু মিলনৰ অসংকোচ উল্লেখ উপমানত পোৱা যায়।

নাৰীৰ ইচ্ছাত বা অনিচ্ছাত নাৰীহৰণৰ কথা ঋগ্বেদত আছে। পুৰুমিত্ৰৰ কন্যাক বিমদে হৰণ কৰিছিল। (১/১১২/৭; ১১৬/১)। কোনো পুৰুষে ৰাতি এজনী নাৰীক পলুৱাই নিবলৈ যাওঁতে প্ৰাৰ্থনা কৰিছিল, ছোৱালীজনীৰ ভাই-ককাই যেন সাৰ পাই নাথাকে, কুকুৰবোৰে যেন নুভুকে। (৭/৫৫/৫-৮)।

বিয়াত কন্যাপণৰ কথাও পোৱা যায়। ইন্দ্ৰ আৰু অগ্নিয়ে ভক্তক যিদৰে ধন দিয়ে, তেনেদৰে অবাঞ্চিত জোঁৱায়ে প্ৰচুৰ ধনৰ দ্বাৰা শহুৰৰ ঘৰৰ লোকক ভালৰি বোলাই তেওঁলোকৰ প্ৰীতিভাজন হোৱাৰ চিত্ৰও আছে। (১/১০৯/২)। পুৰুষৰ বহুপত্নীত্বৰ কথা কৰবাত স্পষ্ট (৭/২৬/৩) কৰবাত বা গৌণভাৱে, সপত্নী নাশনৰ মন্ত্ৰৰ দ্বাৰা প্ৰতিপন্ন হয়।

কন্যাৰ শৰীৰত ত্ৰুটি থাকিলে বৰপনৰ কথাওঁ বহুবাৰ আছে। (৬/২৮/৫, ১০/২৭/১২)। কুমাৰী কন্যাৰ কথাওঁ বহুবাৰ উল্লেখ আছে। এওঁলোকক অমাজুৰা, অৰ্থাৎ যিয়ে পিতৃৰ ঘৰতেই বয়সস্থা হয়, নতুবা কুলপা বা বৃদ্ধ কুমাৰী বা জৰৎকুমাৰী (১/১১৭/৭, ১০/৩৯/৩, ১০/৪০/৫) বোলে। পৰৱৰ্ত্তী সময়ত বিয়া যিদৰে নাৰীৰ পক্ষে বাধ্যতামূলক হৈ উঠিছিল, ঋগ্বেদৰ যুগত তেনে নাছিল। ঋগ্বেদত সহমৰণ, পৰবৰ্ত্তী কালত যাক সতীদাহ বোলা হয়, তাৰ কোনো উল্লেখ নাছিল; বিধবা বাচিয়ে আছিল; কেতিয়াবা দেওৰৰ লগতো বিয়া হৈছিল, কেতিয়াবা বিয়া নোহোৱাকৈ থাকি গৈছিল। সি যিয়েই নহওঁক বাচি থকাৰ অধিকাৰকণ কাঢ়ি নিয়া হোৱা নাছিল, ধৰ্ম বা সমাজৰ দোহাই দি পুৰি মৰাও আৰম্ভ হোৱা নাছিল। দ্বিতীয় বিবাহ— দেওঁৰ বা অন্যকো কৰাৰ অধিকাৰ স্বীকৃত আছিল। বেদ ৰচনাৰ উত্তৰ পৰ্বত অৰ্থাৎ ঋগ্বেদৰ প্ৰথমভাগ ৰচনাৰ পিছতে প্ৰাগাৰ্য প্ৰভাৱতে হওঁক বা অন্য কোনো কাৰণতে সামাজিক বিবৰ্ত্তনৰ ফলতেই হওঁক পোনতে সহমৰণৰ কথা শুনা যায় অথৰ্ববেদত। তাত এঠাইত আছে— "দেখিছো জীৱিত নাৰীক লৈ যোৱা হৈছে মৃতকৰ কইনা হ'বলৈ।" (অথৰ্ববেদ ১৮/৩/৩)। নতুবা অন্যত "এই নাৰীয়ে পতি লোকলৈ গৈছে, এই প্ৰাচীন ৰীতি অনুসৰণ কৰিছে।" (১৮/৩/১)। প্ৰশ্ন ৰৈ যায়— এই প্ৰাচীন ৰীতি আৰ্য নে প্ৰাগাৰ্য; কাৰণ ইণ্ডো-ইউৰোপীয় অন্য সভ্যতাবোৰত সহমৰণৰ কথা পোৱা নাযায়। এই প্ৰথা কিমান প্ৰাচীন? প্ৰাগাৰ্য সিন্ধু সভতাৰ? বিধবা বাচি থাকিলে সকলো সময়তে তেওঁৰ জীৱন সুখৰ নোহোৱাৰ কথা— "যেন ইন্দ্ৰানীৰ দৰে অবিধবা হওঁ।" (তৈত্তিৰীয় ব্ৰাহ্মণ ৩/৭/৫/৫১) এনেদৰে কোৱা হয়। কোৱা বাহুল্য, সমস্ত ভাৰতীয় সাহিত্যত 'যেন বিপত্নীক নহওঁ'— এনে প্ৰাৰ্থনা কতোৱেই নাই। বৰং ইয়াৰ ওলোটা কথাই শুনা যাব— 'ভাগ্যবানৰ মৰে বৌ, অভাগাৰ গৌ'। সম্পত্তি হিচাপেও স্ত্ৰীৰ স্থান গৰুৰ তলত, কাৰণ নতুন গৰু কিনিবলৈ টকা লাগে, আৰু নতুন কইনা আনিলেও টকা পোৱা যায়। এই উত্তৰ বৈদিক যুগত নাৰীৰ বহুবিবাহৰ কথাও শুনা যায়। অথৰ্ববেদত শুনো, 'যি নাৰীৰ আগতে এজন স্বামী আছিল তেওঁ যেতিয়া দ্বিতীয়জন পুৰুষক পায় তেতিয়া পঞ্চৌদন অজ দান কৰিলে তেওঁৰ কোনো ক্ষতি নহয়।" (৯/৫/২৭)। অইন এঠাইত পোৱা যায়— "কোনো নাৰীৰ দহ গৰাকী স্বামী থাকিলেও তেওঁ যেতিয়া ব্ৰাহ্মণৰ পত্নী হয় তেতিয়া সেই ব্ৰাহ্মণেই তেওঁৰ পতি, ৰাজন্য বা বৈশ্য পতিসকল পতি নহয়।" (৫/১৭/৮,৯) ইয়াৰ মুখ্য উদ্দেশ্য অৱশ্যে ব্ৰাহ্মণ পুৰুষৰ মাহাত্ম্য ঘোষণা কৰা, অন্য বৰ্ণৰ হীনত্ব প্ৰতিপাদন কৰা। কিন্তু প্ৰসংগত উল্লেখ কোনো নাৰীৰ পক্ষে দহজন স্বামী গ্ৰহণৰ স্বীকৃতিও এই সমাজত আছিল।

## ( গ )

যজুৰ্বেদৰ যুগত আৰ্য-প্ৰাগাৰ্যৰ সংমিশ্ৰনৰ স্পষ্ট প্ৰতিচ্ছবি সাহিত্যত প্ৰতিফলিত। অৱশ্যে ঋগ্বেদৰ প্ৰথম মণ্ডলৰ প্ৰথমাৰ্দ্ধ আৰু দশম মণ্ডলত ইয়াৰ সূত্ৰপাত। তিমান দিনে আৰ্যসকলে গ্ৰাম্য আৰু কৃষিজীৱি, পোৰা ইটাৰ ঘৰ-দুৱাৰ সজাই লৈছে, জনবসতি, গাওঁ আৰু চহৰ বা নগৰত বাস কৰিছে। নানা বৃত্তি অবলম্বন কৰিছে। সমাজত জটিলতা বাঢ়িছে, গোষ্ঠী

আৰু কৌম ভাঙিছে ধীৰে ধীৰে, যৌথ আৰু বৃহৎ পৰিবাৰত সমাজৰ নূণ্যতম সংগঠনে দেখা দিছে। বৰ্হি-বাণিজ্য আৰম্ভ হৈছে, ধন-সম্পত্তি বাঢ়িছে আৰু লগে লগে বাঢ়িছে যজ্ঞৰ সংখ্যা আৰু জটিলতা, পুৰোহিতৰ সংখ্যা আৰু দক্ষিণাৰ পৰিমান চক্ৰবৃদ্ধি হাৰত বাঢ়িছে। এই সময়ত শুনো " যজমানে দীক্ষাৰ দিনা গণিকা সাহচৰ্য, পিছৰ দিনা পৰস্ত্ৰীৰ, তৃতীয় দিনা নিজৰ স্ত্ৰীৰ সাহচৰ্য বৰ্জন কৰিব।" (তৈত্তিৰীয় সংহিতা ৬/৬/৮/৫) অৰ্থাৎ দীক্ষাৰ দিনাও পৰস্ত্ৰীৰ সাহচৰ্য নিষিদ্ধ নাছিল আৰু গণিকা গমনৰ বাবে দীক্ষাৰ দিনা কোনো প্ৰায়শ্চিত্বও নাছিল।

যজ্ঞত যজমানৰ পত্নী নিস্ক্ৰিয়তাৰে বহি থাকে। তেওঁৰ উপনয়ন নহয়, সেয়ে "ন স্ত্ৰী জুহুয়াৎ" নাৰীয়ে হোম কৰিব নোৱাৰে। (আপস্তম্ব ধৰ্মসূত্ৰ ২/৭/১৫/১৭)। অথচ অন্যত বাৰে বাৰে শুনো 'পূৰ্বাৰ্ধো বৈ যজ্ঞ্যস্যাধ্বৰ্যুৰ্জঘনাৰ্ধং পত্নী' (শতপথ ব্ৰাহ্মণ ১/৯/২/২/; ৩/৪/২২ ; ৫/২/১-১০) অৰ্থাৎ যজ্ঞৰ পূৰ্বাৰ্ধ যজমান উত্তৰাৰ্দ্ধ যজমান পত্নী। কিন্তু এই অপৰাৰ্দ্ধটিয়ে যজ্ঞত কোনো অংশ গ্ৰহণ নকৰে; মাত্ৰ কাষত বহি থাকে। ইমান নিস্ক্ৰিয় তেওঁৰ ভূমিকা, যি ৰামে সোনৰ সীতা গঢ়াই যজ্ঞ নিষ্পন্ন কৰিব পাৰিছিল। গৌতম ধৰ্মসূত্ৰতো শুনো— "অস্বতন্ত্ৰা ধৰ্মে স্ত্ৰী" (১৮/১) ; অৰ্থাৎ ধৰ্মাচৰণত নাৰীৰ কোনো স্বাধীনতা নাই।

গৃহকৰ্মৰ বাহিৰে কোনো পেছা কুলনাৰীৰ নাছিল। যি দুই এটি কামৰ উল্লেখ পোৱা যায়, তাৰ মাজত আছে পচম পকোৱা আৰু বোৱা। ( শতপথ ব্ৰাহ্মণ ১২/৭/২/১১) অন্যান্য কামৰ লগতে এই কামটিও কৰা হয়। নাৰীৰ শিক্ষাৰ প্ৰসংগত পোৱা যায় ব্ৰহ্মাচৰ্য, যি বেদ অধ্যয়নৰ প্ৰৱেশদ্বাৰ, সেয়া বহু প্ৰাচীন যুগৰ নাৰীৰ পক্ষে নিষিদ্ধ আছিল সেয়ে শিক্ষালাভৰ পথ তেওঁৰ বাবে ৰুদ্ধ। অথৰ্ববেদে কয় ব্ৰহ্মাচৰ্যৰ দ্বাৰা নাৰীয়ে স্বামী লাভ কৰে (১১/৫/১৮); ভাব হয়, এই ব্ৰহ্মাচৰ্য কোনো ব্ৰত বা শিব পূজাৰ দৰে— স্বামী লাভেই যাৰ উদ্দেশ্য। ঋকবেদত কেইগৰাকীমান ঋষিকাৰ নাম পোৱা যায়, হয়তো তেওঁলোকৰ মাজত কোনো কোনোৱে শিক্ষালাভৰ সুযোগ পাইছিল; যিদৰে বিশ্ববাৰা, ঘোষা, অপালা আৰু গোধা। পানিনিৰ ব্যাকৰণত আচাৰ্য্যা, উপাধ্যায়া শব্দৰ বুৎপত্তিত অধ্যাপনাত ৰত নাৰীৰ উল্লেখ পোৱা যায়; কাশিকাভাষ্যত কাশকৃষ্ণা আৰু অপিশলাৰ নাম মীমাংসা আৰু ব্যাকৰণত পণ্ডিত বুলি পোৱা যায়; অম্ভৃণ ঋষিৰ কন্যা বাক্, গাৰ্গী, মৈত্ৰেয়ী, শাশ্বতী এওঁলোকৰ কথাও পোৱা যায়। অৰ্থাৎ মাজে মাজে নাৰীৰ শিক্ষাৰ সুযোগৰ কথা ব্যতিক্ৰমৰূপেই উল্লেখিত। কিন্তু শাস্ত্ৰৰ দৃষ্টিৰে চালে বুজা যায় নাৰীৰ শিক্ষাৰ অধিকাৰ ক্ৰমে সংকুচিত হৈ আহিছিল। সেয়ে শিক্ষিতা নাৰীৰ প্ৰসংগত পোৱা যায়; "স্ত্ৰিয়ঃ সতীঃ তা উ যে পুং সঃ আহুঃ" ) তৈত্তিৰীয় আৰণ্যক ১/১১/৪) অৰ্থাৎ নাৰী হৈও তেওঁ পুৰুষ। ব্ৰাহ্মণ্য সাহিত্যৰ যুগৰ পৰা শিক্ষিতা নাৰীৰ সংখ্যা আঙুলি মূৰত লেখিব পাৰি, ক্ৰমে যি অৱস্থাই দেখা দিলে তাত গণিকাৰ বাহিৰে শিক্ষাত আৰু কোনো নাৰীৰ অধিকাৰ ৰক্ষিত নহ'ল। অনুমান কৰিব পাৰি সংগীত, নৃত্য আৰু চিত্ৰশিল্পত কুমাৰী ছোৱালীৰ অধিকাৰকণৰ বাহিৰে অইন বিদ্যাৰ পৰা তেওঁ সাধাৰণভাৱে বঞ্চিত আছিল। ব্যতিক্ৰম নিশ্চয় আছিল,

বৃহদাৰণ্যক উপনিষদত পণ্ডিত কন্যা পাবৰ বাবে পিতা-মাতাৰ আচৰণীয় অনুষ্ঠানৰ কথাও উল্লেখিত (৬/৪/১৩); কিন্তু সেয়া ব্যতিক্ৰমহে।

সোমযাগৰ এটি পৰ্বত যজ্ঞৰ কিছুমান পাত্ৰক মাটিত ৰখা হয় বাকী কিছুমান পাত্ৰক ওপৰত তুলি ধৰা হয়; এই প্ৰসংগত শুনা যায়, "সেইবাবেই সদ্যোজাত শিশু কন্যাক মাটিত ৰখা হয়, শিশু পুত্ৰক তুলি ধৰা হয়।" (তৈত্তিৰীয় সংহিতা ৬/৫/১০/৩) সমাজত নাৰীয়ে জন্মাবধি এই স্থানেই পায়; পুৰুষৰ তলত।

পুৰুষৰ বহুবিবাহ ঋগ্বেদৰ যুগৰ পৰা চলি আহিছে, তথাপিও ঋকবেদৰ সময়ত নাৰীৰো বহুপতিত্বৰ অধিকাৰ আছিল যদিও এই অধিকাৰ কিছুসময়ৰ মাজতেই হেৰুৱাই পেলায়। তৈত্তিৰীয় সংহিতা আৰু ব্ৰাহ্মণত পঢ়ো, "যজ্ঞত এটি দণ্ডক যিদৰে বান্ধ খুৱাই ৰাখে দুটুকুৰা কাপোৰে, সেয়ে পুৰুষে দুগৰাকী স্ত্ৰী গ্ৰহণৰ অধিকাৰী; এটুকুৰা কাপোৰেৰে দুটি দণ্ডক বান্ধি নৰখাৰ দৰে, নাৰীৰ দ্বিপতিত্বও নিষিদ্ধ।" (তৈত্তিৰীয় সংহিতা ৬/৬/৪/৩, তৈত্তিৰীয় ব্ৰাহ্মণ ১/৩/১০/৫৮) অন্যতো শুনা যায়, "একস্য পুং সো বহ্ব্যো জায়ো ভবন্তি।" (শতপথ ব্ৰাহ্মণ ৯/৪/১/৬), এক পুৰুষৰ বহু পত্নী হয়। কোৱা বাহুল্য এইধৰণৰ শাস্ত্ৰ হেতু নিৰ্ণয়ৰ চলেৰে যজ্ঞৰ বিধি-বিধানৰ দোহাই দিলেও আচলতে ইয়াৰ উদ্দেশ্য হৈছে, সমাজত প্ৰচলিত কিছু আচৰণৰ শাস্ত্ৰীয় সমৰ্থন জোগোৱা আৰু এই ধৰণৰ ব্যাখ্যাৰে কেৱল পুৰুষৰ পক্ষেই সুবিধাজনক আচৰণৰ সমৰ্থন পোৱা যায়। সম্ভবতঃ পূৰ্বৰ সময়চোৱাত প্ৰচলিত নাৰীৰ বহুপতিত্ব এইসময়ত নিষিদ্ধ হ'বলৈ আৰম্ভ কৰে, সেয়ে আপাত যুক্তিৰ দৰে এক যজ্ঞীয় অনুষ্ঠানৰ অনুপুঙ্খক হেতুৰূপে উপস্থাপিত কৰা হৈছে। ইয়াত পুৰুষৰ দুগৰাকী পত্নী গ্ৰহণৰ কথা কলেও কাৰ্যতঃ পুৰুষৰ বহুবিবাহৰ অজস্ৰ উদাহৰণ দেখিবলৈ পোৱা যায়। (ঋগ্বেদ ৭/২৬/৩) ৰজাসকলৰ বৈধ পত্নী চাৰি গৰাকী থকাৰ কথা যজুৰ্বেদৰ আমোলৰ পৰাই— মহিষী, বাবাতা, পৰিবৃক্তি (বা পৰিবৃত্তী) আৰু পালাগলী আদিৰে আছিল। ইয়াৰোপৰি বহু উপপত্নীত ৰাজ অন্তেষপুৰত থকাৰ কথা পোৱা যায়। মৈত্ৰায়নী সংহিতাত মনুৰ দহ গৰাকী আৰু চন্দ্ৰৰ সাতাইশ গৰাকী স্ত্ৰীৰ উল্লেখ আছে। বহু স্ত্ৰী থাকিলেও তেওঁলোকৰ প্ৰতি সমদৰ্শিতা প্ৰত্যাশিত আছিল, সেয়ে চন্দ্ৰ ৰোহিনীৰ প্ৰতি অধিক অনুৰক্ত আছিল বাবেই যক্ষ্মা হোৱাৰ কথা, সেইবাবে যক্ষ্মাৰ আন নাম জায়েন্য বুলি উল্লেখিত। (তৈত্তিৰীয় সংহিতা ২/৩/৫/১-৩) বিবাহত কন্যাক দান কৰা হয় স্বামীক নহয়, স্বামীৰ পৰিবাৰক; 'কুলায় হি স্ত্ৰী প্ৰদীয়তে।" (আপস্তম্ব ধৰ্মসূত্ৰ ২/১০/২৭/৩) ইয়াৰ কুফল আজিও প্ৰতিদিন খবৰ কাগজত দেখা যায়— শহুৰ-শাহু-ননদ-ভাইশহুৰ-দেওঁৰ সকলোৰে মিলি বোৱাৰীক যি নিৰ্য্যাতন কৰে এয়ে সেই অধিকাৰৰ বলত।

( ঘ )

"নাৰী পুৰুষৰ অপৰাৰ্দ্ধ" শুনিলে মনটো উল্লসিত হৈ উঠে কিন্তু বেছি সময়ৰ বাবে নহয়। কাৰণ পিছৰছোৱা হ'ল— "সেই বাবেই যিমান সময় তেওঁ— কইনা লাভ নকৰে আৰু সন্তান জন্ম নহয় তেতিয়ালৈ পুৰুষ অসম্পূৰ্ণ।" (তৈত্তিৰীয় সংহিতা ৬/১/৮/৫)

অৰ্থাৎ সন্তান জন্মৰ জৰুৰী প্ৰয়োজনতেই নাৰী পুৰুষৰ অপৰাৰ্দ্ধা, মানসিক বা সামাজিক কোনা সংজ্ঞাত নহয়। ঋকবেদত নৱপৰিনীতা কন্যাক আৰ্শীবাদ কৰা হৈছে এনেদৰে— "শহুৰ-শাহু-দেওৰ-ননদ সকলোৰে সম্ৰাজ্ঞী (বা অধীশ্বৰী) হোৱা।" (১০/৮৫/৪৬) প্ৰথমতে, বোৱাৰীজনীৰ বাস্তব জীৱনৰ সম্ৰাজ্ঞীত্ব দুৰ্লভ আছিল বুলিয়েই এই আৰ্শীবাদ। দ্বিতীয়তে, পৰবৰ্ত্তী অসংখ্য শাস্ত্ৰ বচনত ইয়াক খণ্ডণ কৰা হৈছে। সেয়ে অথৰ্ববেদত পঢ়ো— "সূৰ্যোদয় হ'লে প্ৰেতই তেনেদৰে পলাই যিদৰে বোৱাৰীয়ে শহুৰৰ সমুখৰ পৰা আঁতৰি পলায়।" (৮/৬/২৪)। কোনো সম্ৰাজ্ঞীয়ে প্ৰজাৰ সমুখৰ পৰা কেতিয়াৰ পৰা এনেদৰে পলাই গৈছে? উত্তম নাৰীৰ সংজ্ঞা হৈছে— "যিয়ে স্বামীক সন্তুষ্ট কৰি, পুত্ৰ সন্তানৰ জন্ম দিয়ে আৰু স্বামীৰ কথাৰ ওপৰত কথা নকয়"। (ঐতৰেয় ব্ৰাহ্মণ ৩/২৪/২৭; পৰবৰ্ত্তী কালত এনে ধৰণৰ বক্তব্য আছে আপস্তম্ব ধৰ্মসূত্ৰত— ১/১০/৫১-৫৩) এই ছবি আৰু যিয়েই নহওঁক কোনো সময়তেও কোনো সম্ৰাজ্ঞী বা অধীশ্বৰীত নহয়; বৰং দীনতম প্ৰজাৰ বা দাসীৰ; যি পুৰুষ প্ৰভুৰ ভয় সংকোচত নেপথ্যত থাকে। বিবাহৰ সকলোটি মন্ত্ৰকে উচ্চাৰণ কৰি কোৱা হয় স্ত্ৰী যেন চিন্তা আৰু কামত স্বামীৰ অনুবৰ্ত্তিনী হয়, স্বামীৰ চিত্তৰ অনুগামিনী হয়, ক'তো একো কোৱা নাই স্ত্ৰীৰো চিত্ত বুলি কিবা এটা আছে আৰু স্বামীয়ে তাৰ প্ৰতি অনুকুলতা দেখুৱাব। মাজে-সময়ে শুনা যায়, সুন্দৰী কন্যাই স্বামী প্ৰেম লাভ কৰে। (শতপথ ব্ৰাহ্মণ ১৩/১/৯৬) ইয়াত কন্যাগৰাকীক দেহমাত্ৰসাৰ কৰিহে দেখুওৱা হয়, আৰু তেওঁৰ যে অন্য কোনো আকৰ্ষণ থাকিব পাৰে সেই কথা শাস্ত্ৰৰ ক'তো স্বীকৃতি নাপালে। সহজেই বুজা যায়, সুন্দৰী বোৱাৰীৰ ৰূপ-যৌৱন এদিন মৰহি যায়, তেতিয়া স্বামীৰ প্ৰেমে সেই অধিকাৰ হেৰুৱায়। তাৰোপৰি বয়সৰ আচোৰ পৰাৰ আগতেওঁ সুন্দৰীতমা নাৰী স্বামীৰ দৃষ্টিত পৰিলেও তেওঁক লৈ আনি স্বামীয়ে পুৰ্ববৰ্ত্তিনীৰ মৰ্য্যাদা খৰ্ব কৰে। সেয়ে সপত্নী বিনাশনৰ বাবে, স্বামীৰ একনিষ্ঠ প্ৰেম পোৱাৰ বাবে বা স্বামীক বশীভূত কৰাৰ বাবে বহুতো অভিচাৰ ক্ৰিয়াৰ মন্ত্ৰ দেখিবলৈ পোৱা যায় ঋগ্বেদ আৰু অথৰ্ববেদত। এই বিপদ সেই সময়ৰ নাৰীৰ বাবে কিমান ভয়াবহ ধৰণে বাস্তৱ আৰু সৰ্বনাশী হৈ দেখা দিয়ে তাক আজি কল্পনা কৰাও কঠিন।

নাৰীৰ স্থান ক্ৰমাত অন্তঃপুৰৰ গভীৰলৈ সোমাই গৈছিল। যদিও ঋকবেদত যোদ্ধা নাৰী মুদ্‌গলিনী, বিশ্‌পলা, বধ্ৰিমতী, শশীয়সীৰ কথা পঢ়া যায়, যাৰ কোনো যুদ্ধত আহত, কোনোজনী যুদ্ধত বিজয়িনী। তথাপিও ঋকবেদৰ প্ৰথম যুগৰ পিছত প্ৰকাশ্য সমাজ জীৱনত নাৰীৰ কোনো ভূমিকা আৰু নৰ'ল। (খ্ৰীষ্টপূৰ্ব ৩২৭ চনতো মেচেগা অৱৰোধ কালত ভাৰতীয় নাৰী যোদ্ধাৰ কথা কাৰ্টিয়াছে উল্লেখ কৰিছিল, কিন্তু সিমান দিনে এই ভূমিকা ব্যতিক্ৰম, আপদ্ধৰ্মত, পৰ্যবসিত) ব্ৰাহ্মণৰ যুগতে নাৰীক অৱৰোধ কৰি ৰখাৰ কথা শুনো, "নহ'লে তেওঁৰ শক্তি ক্ষয় হ'ব!" (শতপথ ব্ৰাহ্মণ ১৪/১/১/৩১)। এয়া কোন শক্তি যিয়ে মাত্ৰ অৱৰোধত থাকিলেই অক্ষুন্ন থাকিব? অথৰ্ববেদত অনেকবাৰ "প্ৰতিষ্ঠাপন" সূক্ত আছে। এইবোৰ পলাতক বা পলায়নত উদ্যতা স্ত্ৰীক অন্তেযপুৰত বান্ধি ৰখাৰ বাবে প্ৰয়োগ কৰা হয়। সেয়ে অন্তেযপুৰবাসিনী ক্ৰমাৎ বন্দিনী হৈ উঠিছিল।

( ৬ )

গোষ্ঠীবদ্ধ, কৌমবদ্ধ সমাজ ভাঙি পৰিবাৰ-আশ্ৰিত বা কুলবদ্ধ সমাজ প্ৰৱৰ্ত্তিত হৈছিল ধীৰে ধীৰে। এটি বৃহৎ পৰিয়ালৰ বাসগৃহৰ নাম 'কুল' ইয়াত তিনি-চাৰি পুৰুষৰ সংসাৰ পৰিচালিত হৈছিল। এই সংসাৰৰ সৰু সৰু বিভাগত এজন পুৰুষ নিয়ন্ত্ৰিত নিজস্ব পৰিয়াল আছিল আৰু তাত স্বামীয়ে সৰ্বময় কৰ্ত্তা আছিল। আৰু এই বৃহৎ যৌথ পৰিয়ালৰ পৰিবেশত মাজত, গুৰুজন আৰু ল'ৰা-ছোৱালীৰ সমুখতে সেই পুৰুষে বহু নাৰীক এজনী এজনীকৈ আনিছে পত্নীৰূপে। এই স্বাধীনতা কিন্তু তেওঁৰ স্ত্ৰীৰ নাই কাৰণ "এজন স্বামীৰ বহু পত্নী থাকিলেও এজন স্বামীয়ে তেওঁলোকৰ বাবে যথেষ্ট। "(ঐতৰেয় ব্ৰাহ্মণ ৩/৫/৩/৪৭)"। তেনেদৰেই খেয়াল-খুচীমতে পুৰুষে গণিকালয়লৈ গৈছিল, উপ-পত্নী আৰু গণিকা সম্ভোগো সমাজৰ দ্বাৰা বাধাপ্ৰাপ্ত নহৈছিল; কিন্তু স্বামীৰ হাজাৰ দোষ থাকিলেও নাৰীয়ে উপপতি গ্ৰহণ কৰিলে সমাজৰ দ্বাৰা মহাপাতকী বুলি গন্য কৰা হৈছিল। আকৌ গণিকালয়ৰ দৰে কোনো বিকল্প ব্যৱস্থাও নাৰীৰ বাবে কেতিয়াও ক'তো নাছিল।

বিয়াৰ সময়ত দৰাই কয়, "আহা আমি লগ হওঁ, যেন পুত্ৰ সন্তান জন্ম হয়, যি সন্তানৰ দ্বাৰা সম্পত্তি বৃদ্ধি হ'ব।" ইয়াৰ শেহছোৱাত প্ৰাৰ্থনা কৰিছে, 'পুত্ৰ, পৌত্ৰ, দাস, শিষ্য, বস্ত্ৰ, কম্বল, ধাতু, বহুভাৰ্যা, ৰজা, অন্ন আৰু নিৰাপত্তাৰ বাবে।' (হিৰণ্যকেশী গৃহ্যসূত্ৰ ১/৬/১২/১৪)। লক্ষ্যণীয় যে প্ৰথমতে বিয়াৰ সময়তে নৱ পৰিণীতা কন্যাৰ লগত আৰু তেওঁৰ সমুখতেই বহুভাৰ্যাৰ বাবে প্ৰাৰ্থনা কৰা হৈছে আৰু দ্বিতীয়তে, কিছুমান ভোগ্য দ্ৰব্যৰ তালিকাত বহুভাৰ্য্যাৰ উল্লেখো আছিল। ব্যতিক্ৰম পুত্ৰ-পৌত্ৰ, শিষ্য আৰু ৰজা; ইয়াৰ মাজত পুত্ৰ-পৌত্ৰ নিজৰ ব্যক্তিসত্ত্বাৰেই সম্প্ৰসাৰণ— মৃত্যুৰ পিছতো বংশধাৰা যাতে বিলোপ নহয়; শিষ্য জীৱিকাৰ পক্ষে অত্যাবশ্যক আৰু ৰজা নিৰাপত্তাৰ পক্ষে। নহ'লে বস্ত্ৰ, কম্বল, ধাতু, দাস আৰু 'বহুভাৰ্যা' সকলোৰে ভোগ্য বস্তু। কন্যা সম্প্ৰদানৰ সময়ত মাতামহ পিতামহৰ উল্লেখ আছে, মাতামহী পিতামহীৰ নাই, অথচ পিতা-মাতা পৃথিৱীত ভূমিষ্ঠ হৈছিল এওঁলোকৰ অৱলম্বনতে! বিয়াত কন্যাৰ বাবে পুৰুষৰ পাঁচটি কাম্য বস্তুৰ প্ৰয়োজন, সেইবোৰ— ধন, ৰূপ, বিদ্যা, বুদ্ধি আৰু বংশ। ইয়াৰ মাজত বিদ্যা আৰু বুদ্ধিৰ সচাঁকৈয়ে কোনো উপযোগিতা আছে নে নাই সেই লৈ বিস্তৰ তৰ্ক আছে। (মানৱ গৃহসূত্ৰ ১/৭৬; অন্যতো আছে।) স্ত্ৰীৰ প্ৰধান প্ৰয়োজন হৈছে তেওঁ সন্তানৰ জননী আৰু তাৰ প্ৰধান কৰ্ত্তব্য হ'ল— পুত্ৰ সন্তানৰ জন্মদান। (আপস্তম্ব ধৰ্মসূত্ৰ ১/১০-৫১-৫৩)। নিঃসন্তান বোৱাৰীক বিয়াৰ দহ বছৰৰ পিছত ত্যাগ কৰা হয়, যি স্ত্ৰীয়ে মাত্ৰ কন্যাসন্তানৰ জন্ম দিয়ে তেওঁক বাৰ বছৰৰ পিছত, মৃত সন্তানৰ জননীক পোন্ধৰ বছৰৰ পিছত আৰু কলহপৰায়নাক তৎক্ষনাত ত্যাগ কৰা হয়। (বৌধায়ন ধৰ্মসূত্ৰ ২/৪/৬; আপস্তম্ব ধৰ্মসূত্ৰ ২/৫/১১-১৪, মনুসংহিতা ৯/৪) পুত্ৰ সন্তানৰ জন্ম দিব নোৱাৰিলে পত্নীক পৰিত্যাগ কৰাৰ বিধান বহু প্ৰাচনী; শতপথ ব্ৰাহ্মণতে আছে, "যা বা অপুত্ৰা পত্নীক সা পৰিবৃত্তী" (৫/২/৩/১৩) যি

অপুত্ৰা পত্নী তেওঁ পৰিত্যক্তা; আৰু পুত্ৰ সন্তান নজন্মিলে স্বামীয়ে আকৌ বিয়া কৰাব পাৰে। (বশিষ্ট ধৰ্মসূত্ৰ ২৮/২-৩)। অন্যফালে মানবিকতাৰ বোধত অনুপ্ৰাণিত শাস্ত্ৰবাক্যও আছে, যিদৰে ‘কলহপ্ৰিয়া, অশুচি, ঘৰ এৰা, ধৰ্ষিতা হোৱা, চোৰে লৈ যোৱা, হ'লেও স্ত্ৰী-ত্যাগ কৰা নহয়, ভ্ৰষ্টা স্ত্ৰীওঁ প্ৰায়শ্চিত্বত শুচিতা হয়। (বশিষ্ঠ ধৰ্মসূত্ৰ ২১/৮-১০)। আপস্তম্বই কয়, স্ত্ৰী পৰিত্যাগী স্বামীৰ কঠোৰ দণ্ডবিধান কৰা উচিত। (আপস্তম্ব ধৰ্মসূত্ৰ ১/১০-১৯, ২৮) স্ত্ৰীক কটু কথা ক'লেও এদিন উপবাসৰ প্ৰায়শ্চিত্বৰ বিধান আছে। (বৌধায়ন ধৰ্মসূত্ৰ ২/২/৬৩/৬৪) কিন্তু সমাজেও এই বিষয়ে কি ভাবে তাৰ উদাহৰণ যথেষ্ট। কোনো কোনো ধৰ্মশাস্ত্ৰত আছে, ধৰ্ষিতা নাৰীক পিছৰ মাহৰ পৰাই স্বামীয়ে শুচি জ্ঞান কৰিব; বশিষ্ঠই কৈছে বলাৎকাৰ কৰা নাৰী প্ৰায়শ্চিত্বত শুচি হয়। আপস্তম্বই কৈছে স্ত্ৰীক কটু কথা ক'লেও এদিন উপবাস, প্ৰায়শ্চিত্বৰ বিধান আছে। অৱশ্যে স্বামীক কটু কথা ক'লেও তৎক্ষণাত পৰিত্যক্তা হয় স্ত্ৰীগৰাকী। সি যি কি নহওঁক ৰামচন্দ্ৰই এই সকলো কথা নিশ্চয় জানিছিল, বিশেষকৈ যেতিয়া শাস্ত্ৰকাৰসকলে তেওঁক আদৰ্শ চৰিত্ৰৰ মৰ্য্যদা প্ৰদান কৰিছিল। (ৰামদিবৎ প্ৰবতিতব্যংন ৰাবণাদিবৎ, ৰামৰ দৰে আচৰণ কৰা উচিত, ৰাবণৰ দৰে নহয়) সেই ৰামচন্দ্ৰই যদি সত্য বিশ্বাসো কৰি থাকে যে সীতা অশুচি। তেনেহ'লে সেয়াও শাস্ত্ৰানুসাৰে এমাহৰ পিছত তেওঁক শুচি জ্ঞান কৰিব পাৰিলেহেঁতেন, প্ৰায়শ্চিত্বৰ দ্বাৰা শুদ্ধত্ব সম্পাদন কৰিব পাৰিলেহেঁতেন, আৰু নিজে যিবোৰ অন্যায় আৰু মিছা কটু কথা সীতাক কৈছিল তাৰ বাবে তেওঁৰ উপবাস কৰা উচিত আছিল আৰু স্ত্ৰী পৰিত্যাগী স্বামীৰ দণ্ডও তেওঁৰ পোৱা উচিত আছিল। কিন্তু এই সকলোৰে কোনো এটিও তেওঁ কৰা নাছিল, কোনো দণ্ড বা প্ৰায়শ্চিত্বও কৰা হোৱা নাই, তেওঁৰ আদৰ্শ চৰিত্ৰ হৈওঁ, সেয়ে অইনত কথা কিয়েইবা কম অৰ্থাৎ এইবোৰ মানবিক নিৰ্দ্দেশ আছিল মাত্ৰ শাস্ত্ৰজ্ঞসকল “সমদৰ্শিতা” প্ৰতিপাদনৰ বাবে, কাৰ্যক্ষেত্ৰত পুৰুষশাসিত সমাজত এইবোৰ কিতাপৰ পাততেই থাকে। এই ধৰণৰ শুনিবলৈ ভাল বিধান আৰু আছে, “ধৰ্ষিতা নাৰীক ধৰ্ষণকাৰীয়ে বিয়া নকৰিলে বিধিমতে বিনাপণেই তাৰ বিয়া হ'ব পাৰে।” (বৌধায়ন ধৰ্মসূত্ৰ ৪/১/১৫-১৬)। কিন্তু সমস্ত সংস্কৃত সাহিত্যত ভ্ৰষ্টা পত্নীয়ে দণ্ডবিধানৰ বাহিৰে অইন একো নেপায় সমাজৰ ওচৰত। তেনেদৰে একাধিক ধৰ্মশাস্ত্ৰকাৰ সকলে কৈছে ভ্ৰষ্টা নাৰীক স্বামীয়ে পৰিত্যাগ কৰেলে (তেনেহ'লে এইবোৰ উদাৰ শাস্ত্ৰবাক্য সত্বেও স্বামীয়ে তেওঁক পৰিত্যাগ কৰিছিল) পুত্ৰই তেওঁক ভৰণ পোষণৰ ব্যৱস্থা কৰিব। স্পষ্টকৈ বুজা যায়, তথাকথিত যৌন দুৰ্নীতি সম্বন্ধে সমাজত স্বচ্ছভাৱে দুই ধৰণৰ বিধান আছিল, এটি পুৰুষৰ বাবে, এটি নাৰীৰ বাবে। নাৰীৰ ক্ষেত্ৰত যৌন অপৰাধ, অপৰাধ, পুৰুষৰ ক্ষেত্ৰত সমাজ অনেক ক্ষেত্ৰত প্ৰশ্ৰয়শীল। যিদেশত ‘সতী’ বা ‘সাধ্বী’ শব্দৰ এই অৰ্থত কোনো পুংলিংগ প্ৰতিশব্দ নাই, সেই দেশৰ সমাজত অন্য ধৰণৰ কিবা আশা কৰাও অবাঞ্চনীয়।

“কুমাৰী কন্যাৰ পিতাই যথা সময়ত কন্যাক বিয়া দিব নোৱাৰিলে তেওঁ তিনিবছৰ (বা তিনিমাহ) পিছত যাক ইচ্ছা তেওঁকে বিয়া কৰিব পাৰে। কিন্তু সেই বিয়াই তেওঁক কোনো ধৰণৰ অধিকাৰ নিদিয়ে, সকলো অৱস্থাতেই তেওঁ পুৰুষৰ অধীন। বশিষ্ঠ ধৰ্মসূত্ৰত

পঢ়ো “পিতা ৰক্ষতি-কৌমাৰে ভৰ্তা ৰক্ষতি যৌৱনে। ৰক্ষতি স্থবিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।” (৫/১-২, ২/২,৩,৪৪,৪৫)। অৰ্থাৎ নাৰীক কুমাৰী অৱস্থাত পিতাকে, যৌৱনাৱস্থাত পতিয়ে, বৃদ্ধাৱস্থাত পুত্ৰই ৰক্ষা কৰিব; নাৰী কোনো কালেই স্বাধীনতাৰ যোগ্য নহয়। বহু আগেই শতপথ ব্ৰাহ্মণত পোৱা যায়, “স্ত্ৰিয়ঃ পুংসোহনুবৰ্ত্মানো ভাবুকাঃ (১৩/২/২৪), অৰ্থাৎ নাৰী পুৰুষৰ অনুপথ গামিনী হোৱা উচিত। বৃহদাৰণ্যক উপনিষদত পঢ়ো, পতিং বা অনু জায়া,” (১/৯/২/১৪) অৰ্থাৎ পত্নী স্বামীৰ পশ্চাতে। মনত পৰে ঋগ্বেদত ঊষাৰ বৰ্ণনা “ঊষো যাতি স্বসৰস্য পত্নী” (১/১১৫/২); সূৰ্যৰ পত্নী ঊষা আগুৱাইছে; কেনৈ? সূৰ্যৰ বা স্বামীৰ আগে আগে। তাৰ পিছত নৈত অনেক জলধাৰা বৈ গৈছে, তেতিয়া এফালে কোৱা হৈছে— “শ্ৰিয়া বা ত্ৰতদ্ৰূপং যৎ পত্ন্যঃ” (তৈত্তিৰীয় ব্ৰাহ্মণ ৩/৯/৪/১৯) অৰ্থাৎ পত্নীয়ে হ'ল সমৃদ্ধিৰ ৰূপ; অন্যফালে শুনো “তদ্বৈ সমৃধ্বং যম্য কনীয়াংসো ভাৰ্যা আসনঃ ভূয়াংসঃ পশবং” (শতপথ ব্ৰাহ্মণ ২/৩/২/৮); তেওঁৰেই সমৃদ্ধি, যাৰ পশুপালতকৈ স্ত্ৰী সংখ্যাত কম। ইয়াত পশুপালৰ লগত এক নিঃশ্বাসত উচ্চাৰিত হ'ল স্ত্ৰী; দ্বিতীয়তে, কিমান সংখ্যাৰ পত্নী থকাৰ সম্ভাৱনা থাকিলে সেই সংখ্যাৰ পশুপালৰ লগত তুল্যযোগ্যা হয় নাৰী।

## ( চ )

নাৰীক যথেষ্ট শাসন আৰু ভোগ কৰাৰ অধিকাৰ পুৰুষক শাস্ত্ৰই দিছে, কিন্তু তাৰ বাবে দায়িত্ব যি দিছে সেয়াও নিতান্তই নগন্য। বৌধায়ন ধৰ্মসূত্ৰত অৱশ্যেই পঠনীয়, “সৰ্বেষাং বৰ্ণানাং বধূ ৰক্ষ্যতমা ধনাৎ”— অৰ্থাৎ সমস্ত বৰ্ণৰেই উচিত ধনতকৈ স্ত্ৰীক ৰক্ষা কৰা”, (২/৪২) কিন্তু কাৰ্যত যি নীতি অনুসৰণীয় হয় সেয়া হ'ল— চানক্যৰ সেই চূড়ান্ত সুবিধাবাদী নীতিটো। “আত্মনং সততং ৰক্ষেদ্দাবৈৰপি ধনৈৰপি”।— নিজকে সৰ্ব্বদায় ৰক্ষা কৰিব, প্ৰয়োজন হ'লে ধন বা স্ত্ৰীৰ বিনিময়তো। বৈদিক বা পৰবৰ্ত্তী সাহিত্যত ধনৰ বিনিময়ত স্ত্ৰীক ৰক্ষা কৰাৰ কোনো নজিৰেই নিমিলে। বৈদিক যুগৰ একেবাৰে প্ৰথম পৰ্বৰ পিছৰ শিক্ষাতো নাৰীৰ অধিকাৰ নাছিল; কাৰণ দুই-এটি ব্যতিক্ৰম বাদ দি উপনয়নতো তেওঁৰ অধিকাৰ নাছিল। জন্মাবধি তেওঁৰ সম্বন্ধে সমস্ত সংস্কাৰেই অমন্ত্ৰক; তেওঁ নিজে মন্ত্ৰ উচ্চাৰণত বা হব্যদানৰ অনধিকাৰিণী; আৰু সেই যুগত বিদ্যাতো মন্ত্ৰৰে হয়, কাজেই বিদ্যাৰ্জনতো তেওঁৰ অধিকাৰ নৰ'ল। অমন্ত্ৰ বিদ্যা অৰ্থাৎ সামান্য কিছু গানবাজনা, চিলাই বোৱা-কটা, হাতৰ কাম আৰু যাবতীয় গৃহকৰ্ম, স্বামী-সন্তান আৰু শহুৰৰ বংশৰ উদয়াস্ত সেৱাই তেওঁৰ কাম আছিল। সন্তানৰ মুখ্যত পুৰুষ সন্তানৰ, জননী হোৱাই তাৰ চূড়ান্ত চৰিতাৰ্থতা অৰ্থাৎ সাৰ্থকতা। অথচ অন্য দেশবোৰৰ দৰে ইয়াতো কিছুমান পুৰুষৰ শিক্ষিতা নাৰীৰ সান্নিধ্যৰ আকাঙ্খা স্বাভাৱিক আৰু সুস্থভাৱেৰে আছিল। সেই অভীপ্সা পূৰণৰ সহায়ক হ'ব পাৰে গণিকালয়ত, কাৰণ একমাত্ৰ গণিকাই আছিল শিক্ষিতা; আৰু একমাত্ৰ তেওঁৰেই আছিল স্বাধীন নাৰী প্ৰাচীন ভাৰতত। কুলবধূক শিক্ষাৰ পৰা সৰ্বতোভাৱে বঞ্চিত কৰা আৰু ৰাষ্ট্ৰীয় খৰচত গণিকাক সৰ্ববিদ্যাতে পাৰদৰ্শিতা কৰি তোলাৰ মাজেৰে সমাজত

কুলনাৰীৰ প্ৰতি চূড়ান্ত অপমানৰ ব্যৱস্থাৰ প্ৰবৰ্ত্তন আছিল। সন্তান ধাৰণ আৰু লালন, গৃহকৰ্ম আৰু পৰিচৰ্য্যাত হতশ্ৰী আৰু বিগত যৌৱনা অশিক্ষিতা স্ত্ৰীয়ে যেতিয়া স্বামীৰ মনোৰঞ্জনত অক্ষম, তেতিয়া স্বাধীনযৌৱনা শিক্ষিত গণিকামুখী দুৱাৰ খিৰিকি খুলি ৰখা সমাজত বোৱাৰীৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰা বিনাদ্বিধাই চলি আছিল।

সোমযাগৰ এটি উপাচাৰ হ'ল অগ্নি পত্নীবৎ। য'ত আছে "বজ্ৰ বা লাঠি মাৰি নাৰীক দুৰ্বল কৰা উচিত, যাতে নিজৰ দেহ বা সম্পত্তিৰ ওপৰত তেওঁৰ কোনো অধিকাৰ নাথাকে।" (শতপথ ব্ৰাহ্মণ ৪/৪/২/১৩) ইয়াত যজ্ঞৰ প্ৰসংগত এটা অনুষ্ঠানত যজ্ঞীয় অগ্নিক কিয় লাঠিৰে মাৰিব লাগিব তাৰেই ব্যাখ্যা প্ৰসংগত এই কথা আহিছে। কিন্তু স্পষ্টকৈ বুজা যায় এই ব্যাখ্যাৰ ছলেৰে স্ত্ৰীক লাঠিৰে মৰাৰ অবাধ অধিকাৰ পুৰুষক দিছে শাস্ত্ৰই। আৰু তাতকৈও ডাঙৰ কথা তেওঁৰ নিজৰ দেহৰ ওপৰতো তেওঁৰ কোনো অধিকাৰে যেন নাথাকে সেই ব্যৱস্থাও পকা কৰাইছে। প্ৰচলিত সামাজিক আবৰণৰ শাস্ত্ৰীয় সমৰ্থনো লাভ কৰিছে ইয়াতে। সকলোতকৈ বিখ্যাত আৰু দীৰ্ঘ বৃহদাৰণ্যক উপনিষদ, তাত স্বয়ং ঋষি যাজ্ঞবল্কই কৈছে, 'স্ত্ৰী স্বামীৰ সম্ভোগ কামনা চৰিতাৰ্থ কৰিবলৈ অসন্মত হ'লে প্ৰথমে উপহাৰ দি স্বামীয়ে তেওঁক কিনিবৰ চেষ্টা কৰিব। (যি শব্দটো ব্যৱহাৰ কৰা হৈছিল সেয়া হ'ল 'অৱক্ৰীনীয়াৎ' যেন স্ত্ৰী পন্যদ্ৰব্য), তাতো অসন্মত হ'লে হাতেৰে বা লাঠিৰে মাৰি তেওঁক বশ কৰি আনিব।' (৬/৪/৭) সেইহেতুকে স্পষ্টকৈ দেখা যায় নাৰীৰ মন বুলি কিবা এটা যে আছে, এইকথা সম্পূৰ্ণ অস্বীকাৰ কৰা হৈছে। তেওঁৰ দেহত তেওঁৰ কোনো অধিকাৰ নাই আৰু তেওঁক অসন্মানেই নহয় মাৰধৰ কৰাৰো পূৰ্ণ অধিকাৰ স্বামীকে দিয়া হ'ল। যি স্বামীয়ে বহু পত্নীক ইচ্ছামতে আনিলে, জাৰিণী বা উপপত্নীৰ সান্নিধ্য পালে, আনকি বেশ্যালয়লৈও গ'লে, স্ত্ৰীয়ে কোনো উচ্চ বাচ্য কৰিব নোৱাৰে। কৰিলেই তেওঁক ত্যাগ কৰাৰ আধিকাৰ আছে স্বামীৰ। মনত ৰখাটো প্ৰয়োজন এই ত্যাগৰ কি অৰ্থ আছিল সেই সমাজত — গণিকাবৃত্তি বা দাসী বৃত্তি বাদ দি কোনো গতি নাছিল পৰিত্যক্ত নাৰীৰ। তেওঁৰ নিজৰ সম্পত্তি নাথাকিছিল আৰু পিতা বা পতিৰ ধনতো তেওঁৰ কোনো অধিকাৰ স্বীকৃত নহৈছিল। (মৈত্ৰায়নী সংহিতা ১/১০/১১;৩/৬/৩; তৈত্তিৰীয় সংহিতা ৪/৫/৮/৭), আৰু জীৱনধাৰণৰ উপযোগী কোনো বৃত্তিৰ শিক্ষা তেওঁক দিয়া নহৈছিল। ফলত মাত্ৰ বাঁচি থকাৰ বাবেই তেওঁক সৰ্বতোভাৱে স্বামীৰ অধীনত ৰখা হৈছিল।

বাৰম্বাৰ কোৱা হৈছে যে নাৰীৰ সভাত প্ৰৱেশৰ অধিকাৰ নাই (মৈত্ৰায়নী সংহিতা ৪/৭/৮); কোনো শিক্ষা গ্ৰহণৰ ধন অৰ্জন বা স্বাধীনভাবে ভোগ কৰাৰ, আনকি নিজৰ দেহটিক অবাঞ্চিত ভোগৰ পৰা ৰক্ষা কৰাৰো অধিকাৰ তেওঁৰ নাছিল। (মৈত্ৰায়ণী সংহিতা ৩/৬/৩ ; ৪/৬/৭ ; ৪/৭/৮;.১০/১০/১১; তৈত্তিৰীয় সংহিতা ৬/৫/৮/২) তেওঁৰ লৰা ছোৱালীৰ সমুখতে স্বামীয়ে একাধিক পত্নী, উপপত্নী, বাৰবণিতাৰ ওচৰলৈ গৈ তেওঁক অসন্মান কৰিলে প্ৰতিবাদহীনভাবে তাক সহ্য কৰে, অথচ তেওঁৰ সামান্যতম পদস্খলনত সমাজৰ দ্বাৰা তেওঁ কঠোৰভাবে দণ্ডিতা হয়। (আপস্তম্ব ধৰ্মসূত্ৰ ২৩/৪) আৰু হিৰণ্যকেশী (গৃহ্য সূত্ৰ ১/৪/১৪/২)য়ে ব্যভিচাৰিণী নাৰীৰ যি দণ্ডক বিধান দিছে সেয়া যিমান নিষ্ঠুৰ

তিমানেই ঘৃণ্য, উচ্চাৰণ কৰিলেও জুগুপ্সা বোধ হয়। স্ত্ৰীৰ প্ৰেমিকক হত্যা কৰাৰ বাবে ধৰ্মীয় অভিচাৰক্ৰিয়াৰ বিধান আৰু নিৰ্দ্দেশ দিয়া আছে শাস্ত্ৰত। (বৃহদাৰণ্যক উপনিষদ ৪/৪/১২/১৩ হিৰণ্যকেশী গৃহ্যসূত্ৰ ১/৪/১৪/৭ ) অথচ অনুৰূপ ক্ষেত্ৰত পুৰুষৰ কোনো দণ্ড নাই। যি তেওঁৰ বহু পত্নী, উপপত্নী আৰু যথেচ্ছ গণিকালয়ৰ গমনৰ অবাধ অধিকাৰ সযত্নে ৰক্ষা কৰিছিল। 'প্ৰাজাপত্য' নামৰ লঘু এদিনৰ নামমাত্ৰ প্ৰায়শ্চিত্তৰ বিধান আছে কোনোক্ষেত্ৰত, কিন্তু সুবৃহৎ সংস্কৃত সাহিত্যত কতোৱেই গণিকাগামীৰ কেতিয়াও কোনো প্ৰায়শ্চিত্তৰ বিধান নাই, নকৰেও।

## ( ছ )

তেতিয়াহলে, বৈদিক ভাৰতে নাৰীক কি দৃষ্টিৰে চাইছিল? নাৰী অশুচি, স্বভাৱতঃ পাপিষ্ঠা আৰু অমঙ্গলৰ হেতু। চতুৰ্থমাহৰ অন্তৰ্গত বৰুণপ্ৰঘাস যজ্ঞত প্ৰকাশ্যে জনবহুল যজ্ঞসভাত প্ৰতিপ্ৰস্থাতা পুৰোহিতে যজমান পত্নীক (যজমানক নহয় কিন্তু) প্ৰশ্ন কৰিছিল, 'কেন সহ চৰসি' (তৈত্তিৰীয় সংহিতা ২/৫/২/২০) অৰ্থাৎ কাৰলগত ব্যভিচাৰিণী হৈছা? এই প্ৰকাশ্য অপমান সহ্য কৰি তেওঁক উত্তৰ দিব লগা হয়, নহলে যজ্ঞ অপবিত্ৰ হ'ব। মৈত্ৰায়ণী সংহিতা উচ্চাৰণ কৰিয়ে কৈছে, 'নাৰী অশুভ' (৩/৮/৩, তৈত্তিৰীয় সংহিতাতেও একে কথা ৬/৫/৮/২) কোৱা হয়, যজ্ঞকালত কুকুৰ, শূদ্ৰ আৰু নাৰীৰ পিনে নাচাবা (শতপথ ব্ৰাহ্মণ ৩/২/৪/৬) এইবোৰ উক্তি ইমানেই স্পষ্ট যে আধ্যাত্মিক ব্যাখ্যাৰ কোনো অৱকাশেই নাই।

নাৰীৰ সৰ্বপ্ৰধান সংজ্ঞা দুটা, তাৰ স্থানো এই দুটিতে সীমাবদ্ধ, তেওঁ পুত্ৰৰ জননী আৰু তেওঁ ভোগ্যবস্তু। (তৈত্তিৰীয় সংহিতাত শুনো, 'তস্মাদু হ স্ত্ৰিয়ো ভোগমেব হাৰয়ন্তে' নহলে নাৰীয়ে সম্ভোগ আনে। (২/৩/১০/৭) ইয়াৰ ৰচনাকাল আনুমানিক খ্ৰীষ্টপূৰ্ব অষ্টম শতিকা, তাৰ মানে প্ৰায় তিনি হাজাৰ বছৰ ধৰি ভাৰতবৰ্ষত নাৰীক ভোগ্যবস্তুৰূপে নিৰ্দ্দেশ কৰি আহিছে। পৰৱৰ্ত্তীকালৰ গৌতম ধৰ্মসূত্ৰত পঢ়ো,

"পশুভূমিস্ত্ৰীণামনতিভোগঃ (১২/৩৯), পশু, ভূমি আৰু নাৰীক অধিক ভোগ কৰা নহয়। নাৰীক ভোগ্যৰূপে বহুবাৰ উল্লেখ কৰিছে শাস্ত্ৰজ্ঞসকলে অকুণ্ঠভাৱে) নিৰ্লজ্জভাৱে। সেয়ে নাৰীয়ে দক্ষিণৰ তালিকাত স্থান পায়। 'সাৰস্বতানাময়ন' যাগৰ দক্ষিণা হ'ল এটি ঘোড়া আৰু এগৰাকী সন্তানবতী দাসী। (শাঙ্খায়ন শ্ৰৌতসূত্ৰ ১২/২৯/২১) ঘোড়া ব্যৱহাৰত লাগে, দাসীৰ পুত্ৰ ডাঙৰ হৈ ভৃত্য হ'ব, দাসী স্বয়ং ভোগ্যবস্তু, অৰ্থাৎ দক্ষিণাবাবদ বিনামূল্যে এটি ঘোড়া, এগৰাকী ভোগ্যনাৰী, দাসী আৰু এজন ক্ৰীতদাস পোৱা গ'ল। পালে কোনে? যজ্ঞৰ ব্ৰাহ্মণ পুৰোহিতে। অন্যান্য বহু যজ্ঞত নানা স্তৰৰ নাৰী দক্ষিণা সন্তানবতী অপ্ৰসূতা আৰু অনূঢ়া শয়ে শয়ে, হাজাৰে হাজাৰে। ৰামায়ণ মহাভাৰতৰ কাহিনীবোৰত বৈদিক যুগৰ অলপ পিছৰ সময়ৰ সমাজৰে চিত্ৰ বহন কৰে, তাত আৰু পৰবৰ্ত্তী পুৰাণবোৰত অসংখ্যবাৰ পোৱা যায় অতিথিসৎকাৰত, উৎসৱত, যুদ্ধত, যজ্ঞত, যৌতুকত, দান আৰু দক্ষিণাত, গাই, শষ্য, ৰথ, হাতী, ঘোঁৰাৰ লগতে অগণন নাৰীকো দান কৰা হৈছিল। নাৰী

বস্তু আৰু প্ৰধানতঃ ভোগ্যবস্তু বুলি নেদেখাহেতেন এনেদান সম্ভবেই নহলহেতেন। নাৰী সম্পত্তি, সেয়ে নাৰীক জুয়াখেলৰ পন ৰখা হৈছে। সেই ঋকবেদৰ সময়ৰ পৰা (অক্ষয়সূত্ৰ ১০/৩৪/৪) মহাভাৰতলৈ।

'কন্যা অভিশাপ' (ঐতৰেয় ব্ৰাহ্মণ ৬/৩/৭/১৩); সেয়ে সন্তানসম্ভবা নাৰীৰ এটি আৱশ্যক অনুষ্ঠান হ'ল পুংসবন, যাৰ উদ্দেশ্য হ'ল যাতে গৰ্ভস্থ সন্তানটি যাতে পুৰুষ হয়। আপস্তম্ব ধৰ্মসূত্ৰত পঢ়ো, '(নাৰীং) ন হৃদয়েন প্ৰাৰ্থয়েৎ' (১/২৭৭/১১০)। অৰ্থাৎ হৃদয়েৰে নাৰীক প্ৰাৰ্থনা কৰা উচিত নহয়; কিন্তু যথেষ্ট ভোগ কৰাত কোনো বাধা নাই। "নাৰী মিথ্যাচাৰিণী, দুৰ্ভাগ্যস্বৰূপিণী, সুৰা বা দ্যূতক্ৰীড়াৰ দৰে এটি বাসনামাত্ৰ। (মৈত্ৰায়নী সংহিতা ১/১০/১১, ৩/৬/৩) খ্ৰীষ্টপূৰ্ব অষ্টম শতিকাৰ ওচৰাওচৰি ৰচনা এই সংহিতা, আৰু ইয়াৰ বহু আগতেই নাৰী ব্যসনত পৰিণত হৈ গৈছে। 'নাৰীয়ে ৰাতি স্বামীক মুগ্ধ কৰি নিজৰ অভিলাস পূৰণ কৰি লয়'। (কাঠ সংহিতা ৩১/১, এই সময়ৰ ৰচনা) অৰ্থাৎ নাৰী ছলনাময়ী, স্বাৰ্থপৰ, যেন পুৰুষ উৎকৃষ্টতৰ জীৱ, এইসকলো দোষ তেওঁৰ নাই, অকল নাৰীৰেই আছে। "সৰ্বগুণান্বিতা শ্ৰেষ্ঠ নাৰীও সেয়ে অধমতম পুৰুষতকৈও হীন।" (তৈত্তিৰীয় সংহিতা ৬/৫/৮/২) অনৃত অৰ্থাৎ মিছা কি? "তিৰোতা, নিম্নজাত, কুকুৰ, ফেঁচা, ইহঁতক নেচাবা, নহলে শ্ৰী আৰু পাপ, পোহৰ আৰু আন্ধাৰ, সচা আৰু মিছা মিলি যাব।" (শতপথ ব্ৰাহ্মণ ১৪/১/১/৩১) স্ত্ৰী স্বামীৰ পিছত খাব (ঐ) কাৰণ "ভুক্তোচ্ছিষ্টং বধ্বৈ দদাৎ" (খাদিৰ গৃহ্য সূত্ৰ ১/৪/১১) খাই এৰেহাখিনি তিৰোতাক দিব। ইয়াতকৈ স্পষ্টকৈ নাৰীৰ স্থান নিৰ্ণয় কৰা কঠিন, য'ত দাস সম্বন্ধে কোৱা হৈছে জীৰ্ণ জোতা, কাপোৰ দাসক দিব আৰু স্ত্ৰী সম্বন্ধে কোৱা হৈছে, খোৱাৰ এৰেহাখিনি তিৰোতাক খাবলৈ দিব, তাত স্ত্ৰীক কেনে পৰ্য্যায়ত চোৱা হৈছে, সেই সম্বন্ধে কোনো সংশয়ৰ অৱকাশ নাই। এই কথা সকলোকে স্বচ্ছভাৱে কোৱা হৈছে আপস্তম্ব ধৰ্মসূত্ৰত। "কলা চৰাই, শগুণ, নেউল, এন্দুৰ আৰু কুকুৰ মাৰিলে যি প্ৰায়শ্বিত্ব নাৰীহত্যা আৰু নিম্নবৰ্ণ (শূদ্ৰ) ক হত্যা কৰিলেও সেই একেই প্ৰায়শ্চিত্ব অৰ্থাৎ মাত্ৰ এদিন কৃচ্ছসাধন (১/৯/২৩,৪৫)।

পৰৱৰ্ত্তী সাহিত্যত যিয়েনাৰীক ভোগ্যবস্তু আৰু পণ্যদ্ৰব্য বুলিবলৈ সাহস কৰিছে তাৰ শক্তি বা জোৰটো যোগাইছে বৈদিক সাহিত্যই। ক্ৰমেই অৱশ্যে এই ভোগত্ব আৰু পণ্যত্বকে জোৰ দিয়াটো বাঢ়িছে। ৰামচন্দ্ৰই সীতাক প্ৰত্যাখ্যান কৰাৰ সময়তে কৈছিল পৰৰ হাতলগা নাৰীক তেওঁ "ভোগ" কৰিব নোৱাৰে, এয়াই হ'ল প্ৰাচীন ভাৰতত স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ মূল কথা। ক্ৰমাত অৱৰোধৰ দুৰ্ভেদ্য সীমাত নাৰীক এৰি থৈ যোৱা হৈছে। কিয় এনে হ'ল? ইয়াৰ বিস্তৃত বিশ্লেষণ ইয়াত নকৰি মাত্ৰ এটা দিশেই আলোচনা কৰিম। সম্পত্তিৰ গোষ্ঠীগত স্বত্বাধিকাৰৰ পৰা যেতিয়াই ব্যক্তিগত অধিকাৰ প্ৰতিষ্ঠিত হ'ল অৰ্থাৎ গোষ্ঠী আৰু কৌম ভাঙি 'কুল' বা যৌথ পৰিয়ালেই সমাজৰ ন্যূনতম সংগঠনৰূপে প্ৰতিষ্ঠা হ'ল তেতিয়ালৈ আৰু এটি ঘটনা ঘটিল সমাজত। উৎপাদনত কিছু উদ্বৃত ধনৰ সৃষ্টি হৈছে আৰু সেই উদ্বৃত ধন মুষ্টিমেয় কিছুমান মানুহৰ মাজত ভাগ হৈ গৈছে। এই ধন যি অধিকাংশ ক্ষেত্ৰত আক্ষৰিক অৰ্থত নিজে অৰ্জন কৰা নহয়, নিম্নবৰ্গৰ মানুহৰ শ্ৰমশক্তিক ব্যবহাৰ কৰি, শোষণ

কৰি যি পোৱা গৈছে। সেয়া যিহেতু কোনো ব্যক্তিগত গুণ বা যোগ্যতাৰ দ্বাৰা পোৱা নাযায়, সেয়ে সেই সম্বন্ধে ধনীকৰ যেন এটি অতিৰিক্ত স্বত্বাধিকাৰবোধ জন্মায়, আৰু তাৰেই লগত এটি ভয়বোধ আহে। পিছলৈ সেইটো তাৰ নিজৰ আৰু নিজৰ সন্তান বা বংশধাৰাৰ দখলৰ বাহিৰলৈ গুছি যায়। ব্যক্তিৰ পৰমায়ুৰ সীমা আছে। তাৰপিছত? তাৰ পিছতো যাতে সেই ধন তাৰেই বংশধৰেই ভোগ কৰিবলৈ পাৰে সেই বিষয়ত ভীষণ এটি তীব্ৰাকাংখ্যা আৰু উদ্বেগ জন্মায়। এই ধন কাৰ হাতত দি যাব, নিশ্চিতভাৱে নিজৰেই সন্তান বাদ দি? কিদৰে নিশ্চিন্ত হোৱা যাব সন্তানটি তেওঁৰেই নে? স্ত্ৰীক চকুৰ আগত ৰাখি। যথাসম্ভৱ পৰপুৰুষৰ সম্পৰ্কৰ পৰা দূৰত ৰাখি এই কাৰণেই নাৰীৰ বহুপতিত্ব সমাজত নিষিদ্ধ হৈ গ'ল কাৰণ তাত সন্তানৰ পিতৃ পৰিচয় সংশয়জনক হৈ ৰয়। পাহৰি গ'লে নচলিব যে এই যুগৰ পূৰ্ব্বৰ সময়ত যেতিয়া সমাজ গোষ্ঠী আৰু কৌম বদ্ধ আছিল তেতিয়া সকলো সন্তান কৌম বা গোষ্ঠীৰ সন্তান বুলি পৰিচিত আছিল তেতিয়া পিতৃত্ব বা পতিত্বৰ সীমা ইমান সুস্পষ্ট মোটা দাগেৰে অঁকা নাছিল। এই অৱস্থাটো তেতিয়াও জীবিত স্মৃতিৰ মাজতেই আছিল, সেয়ে ই আৰু ভয়াবহ। গোষ্ঠীযুগত সকলো নাৰীয়ে গোষ্ঠীৰ বা কৌমৰ সকলো পুৰুষৰ ভোগ্য আছিল, সকলো পুৰুযো সকলো নাৰীৰ। নাৰীৰ সেই ধৰণৰ স্বাধীনতাৰ যুগত স্ত্ৰীৰ বা সন্তানৰ পৰিচয় এজন পুৰুষৰ লগত এনে একান্ত আৰু অচ্ছেদ্যভাৱে জড়িত নাছিল। সেই যুগ পাৰ হৈয়েই অহা ব্যক্তিগত মালিকানাৰ দিনত সম্পত্তি যেতিয়া একান্ত আৰু নিশ্চিতভাৱে নিজৰেই সন্তানৰ বাবে ৰাখি থৈ যাবলৈ উগ্ৰাকাংখ্যা জাগিল, তেতিয়াই ঔৰসজাত সন্তানক নিশ্চিন্তভাৱে চিহ্নিত কৰিব যাতে পাৰে তাৰ বাবে স্ত্ৰীক অন্য সকলো পুৰুষৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰখাৰ প্ৰয়োজন বোধ হ'ল। তাৰোপৰি স্ত্ৰী যেতিয়া সম্পত্তি, সেইবাবেই তেওঁ যাতে অন্যৰ ভোগ্য নহয়, তেওঁৰ ওপৰত ব্যক্তিগত মালিকানা সেয়ে ষোল অনা জাহিৰ কৰিব খোজে। আৰু এটি কাৰণ আছিল, পুৰুষৰ যথেচ্ছা পৰনাৰী সম্ভোগৰ অধিকাৰ তেতিয়া সমাজে মানি লৈছিল; সেয়া তেতিয়া বৈধ বিবাহ অনুলোম আৰু প্ৰতিলোম বহু পত্নীৰ স্বামী। আৰু বহু উপপত্নীৰ উপপতি, আৰু ইয়াৰোপৰি গণিকালয়ৰ দিশে তেওঁৰ দুৱাৰ খিৰিকি যেন খোলা। এই জীৱনবোধত অভ্যস্ত পুৰুষে স্বভাৱতে তেওঁৰ একান্ত ভোগ্য পত্নীকো সেইধৰণৰ সন্দেহৰ দৃষ্টিৰেই চাব, কাৰণ 'আত্মবন্মন্যাতে জগৎ'। সেয়ে তেওঁৰ স্ত্ৰীৰ সম্বন্ধে পহৰা বাঢ়ি বাঢ়ি এনে এটা অৱস্থা পালেগৈ য'ত নাৰী হ'ল কয়েদি আৰু স্বামী তাৰ প্ৰহৰী। এয়া হল উত্তৰ বৈদিক যুগৰ সমাজচিত্ৰ। ব্যতিক্ৰম নিশ্চয় আছিল, কিন্তু সি ব্যতিক্ৰমেই। পৰবৰ্ত্তী দুই সহস্ৰাব্দৰ শিকলিত দৃঢ়তৰ হৈ নাৰীক পকাই পকাই আঁটি আঁটি বান্ধিছে, জোৰ তলা আৰু মজবুত হৈছে। ইয়াৰ মাজত কেতিয়া যে প্ৰহৰী নিজেই বন্দী হৈছে তেওঁৰ স্বৈৰাচাৰজনিত সংশয়ৰ ক্ৰুৰ বন্ধনত, কেতিয়া যে তেওঁ তেওঁৰ বন্ধু আৰু সহচাৰিনীক হেৰাই পেলাইছে তাৰ পৰিবৰ্ত্তে পাইছে নিৰক্ষৰ নিষ্প্ৰাণ এজনী যান্ত্ৰিক দাসী, সেয়া তেওঁ নিজেই নাজানে। নিৰঙ্কুশ শাসন আৰু শোষণ মানুহে কেতিয়াও চিৰদিন নামানে। পুৰুষে ইমান কঠিনভাৱে যি বঞ্চনাৰে বান্ধিছিল শেষলৈ সিয়ে তেওঁকো বঞ্চনা কৰিছে। আৰু যি পৰিমানে নাৰীয়ে

সেই বঞ্চনাক নিজৰ মাজত বিনাপ্ৰতিবাদে মানি লৈছে সেই পৰিমানে তেওঁ তাৰ স্বৰচিত শৃঙ্খলত বন্দিনী। বৈদিক ভাৰতবৰ্ষত নাৰীৰ মৰ্য্যাদা নাছিল, মানুহ বুলি কোনো স্বীকৃতি তেওঁৰ নাছিল। অন্যান্য প্ৰাচীন সভ্যতাতো নাছিল, তথাপিও তেওঁৰ উত্তৰ পুৰুষে এতিয়াও স্বীকাৰ কৰে সেই কথা; কয় নাৰী এই শতাব্দীতেই প্ৰথম অধিকাৰসচেতন হৈছে, আগতে তেওঁ অত্যাচাৰিতা বন্দিনীয়েই আছিল। কেৱল আমিয়ে কবলৈ চেষ্টা কৰো যে বৈদিক যুগত নাৰী স্ব-মহিমাত প্ৰতিষ্ঠিত আছিল। ইয়াত মাত্ৰ যে সত্যৰ অপলাপ হয় এনে নহয়, অতীতক যথাৰ্থভাবে নোচোৱাৰ বাবে অতীতৰ যি বিষ বৰ্ত্তমান সমাজদেহত বিয়পি পৰিছে, তাক চিনিবলৈ, প্ৰতিষেধ কৰিবলৈ আৰু সুস্থ এক ভবিষ্যতৰ প্ৰস্তুতি বিধান কৰিবলৈ অনাবশ্যক ভাবে পলম হৈ যায়। ◆

*অনুবাদ*— সাবিত্ৰী শইকীয়া

---